জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৫৮/২০২১**

‘ভইচ অব্ নৰ্থ ইষ্ট’ শীৰ্ষক উত্তৰ-পূবৰ জনজাতীয় নেতৃত্বৰ সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

# জনজাতীয় সংস্কৃতি আৰু ধৰ্মৰ পৰা ভাৰতীয় সংস্কৃতি উদ্ভাষিত হৈ উঠিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ পাৰ্শ্বৱৰ্তী সোণাপুৰৰ টেপেছিয়াস্থিত ৰাণী লক্ষ্মীবাই ৰাষ্ট্ৰীয় শাৰীৰিক শিক্ষা প্ৰতিষ্ঠানত জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত আয়োজিত ‘ভইচ অব্ নৰ্থ ইষ্ট’ শীৰ্ষক উত্তৰ-পূবৰ জনজাতীয় নেতৃত্বৰ সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ণাঢ্য জনজাতীয় ধৰ্ম আৰু সংস্কৃতিয়ে অঞ্চলটোৰ সাংস্কৃতিক পথাৰখন জীপাল কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পাঁচ হাজাৰ বছৰীয়া ভাৰতীয় সভ্যতা আৰু সংস্কৃতিক শক্তিশালীকৰণৰ ক্ষেত্ৰত জনজাতিসকলৰ ভূমিকা অনন্য। জনজাতিসকলৰ পৰম্পৰা, ধৰ্ম, সংস্কৃতি, ভাষা-সাহিত্য সুৰক্ষিত কৰাৰ লগতে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰ সাধন কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে জনজাতীয় লোকসকলৰ ধৰ্ম আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু উত্তৰণৰ ক্ষেত্ৰত অজনজাতীয় লোকসকলেও বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। চৰকাৰৰো এই ক্ষেত্ৰত বিশেষ দায়িত্ব আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে খিলঞ্জীয়া বিশ্বাস আৰু সংস্কৃতি নামেৰে এটি নতুন বিভাগ খুলিছে। খিলঞ্জীয়াৰ ভাষা-সংস্কৃতি, পৰম্পৰাক সুৰক্ষিত কৰাৰ লগতে ইয়াক অধিক বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে এই বিভাগ আৰম্ভ কৰিছে বুলি তেওঁ কয়। চলিত বৰ্ষৰ বাজেটত ইয়াৰ বাবে এশ কোটি টকা ধাৰ্য কৰা হৈছে আৰু পৰৱৰ্তী পাঁচ বছৰত ৰাজ্যিক বাজেটত বিভাগটোলৈ আবণ্টিত ধনৰ পৰিমাণ পাঁচশ কোটিলৈ বৃদ্ধি কৰিব বিচাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে জনজাতীয় ভাষা-সংস্কৃতিৰ সুৰক্ষা, সংবৰ্ধন আৰু বিকাশৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ সহযোগিতা আগবঢ়াই যাব।

ধৰ্ম আৰু সংস্কৃতি সুকীয়া হ’ব নোৱাৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দুয়োটাকে সুৰক্ষিত কৰি ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। ধৰ্ম সুৰক্ষিত হ’লেহে ৰাষ্ট্ৰ সুৰক্ষিত হ’ব বুলি তেওঁ কয়। জনজাতীয় সংস্কৃতি আৰু ধৰ্মৰ পৰা ভাৰতীয় সংস্কৃতি উদ্ভাষিত হৈ উঠিছে আৰু সেইবাবে নতুন প্ৰজন্মক জনজাতীয় ধৰ্ম, সংস্কৃতি আৰু পৰম্পৰাক লৈ গৌৰৱান্বিত হোৱাৰ বাবে উৎসাহিত কৰিব লাগিব বুলিও তেওঁ কয়। পথ বিচ্যুত হোৱাসকলক জনজাতীয় পৰম্পৰা, ধৰ্ম আৰু সংস্কৃতি সম্পৰ্কত সঠিকভাৱে আভাষ দিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে জনজাতীয় খাদ্য, নৃত্য, পোছাক-পৰিচ্ছদে

পৰ্যটকসকলকো আকৰ্ষিত কৰি আহিছে।

আজিৰ এই সন্মিলনত অখিল ভাৰতীয় বনবাসী কল্যাণ আশ্ৰমৰ ৰাষ্ট্ৰীয় অধ্যক্ষ ৰামচন্দ্ৰ খাৰাডী, অনুসূচিত জনজাতি আয়োগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ হৰ্ষ চৌহান আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতি সংগঠনৰ বহুসংখ্যক প্ৰতিনিধি উপস্থিত থাকে।

**পুঃডেঃ**
**১০-০৯-২০২১**